**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-05-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন উপলক্ষে অহা ৯ জুনত অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিৱেশন।

২। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশত ৰাজ্যত শেহতীয়াকৈ দুহেজাৰৰো অধিক বাংলাদেশী নাগৰিকক আটক।

৩। জাপানক অতিক্ৰম কৰি ভাৰত বিশ্বৰ চতুৰ্থ বৃহৎ অৰ্থনীতিৰ দেশ হিচাপে পৰিগণিত।

৪। জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা নিৰীহ লোকৰ পৰিয়াললৈ অসম চৰকাৰৰ আৰ্থিক সাহায্য প্ৰদান। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ১১০ ৰানত জয়লাভ।

০০০০০০

বিশ্ববৰেণ্য শিল্পী ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন উপলক্ষে অহা ৯ জুনত অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশনতে পূৰ্বে আলোচনা কৰা অনুসৰি ডিব্ৰুগড় বিমান বন্দৰৰ নাম ডঃ ভূপেন হাজৰিকা নামেৰে নামকৰণ কৰাৰ প্ৰস্তাৱ গ্ৰহণৰ সম্ভাৱনা আছে। ভাৰতীয় সংবিধানৰ ১৭৪-এক নম্বৰ অনুচ্ছেদৰ অধীনত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই এই অধিৱেশনৰ আহ্বান জনাইছে। এই অনুসৰি সেইদিনা পুৱা চাৰে ৯ বজাৰ পৰা অধিৱেশনৰ কাম-কাজ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে অসম মন্ত্ৰীসভাৰ বৈঠকত বিশ্ববৰেণ্য শিল্পীগৰাকী শতবাৰ্ষিকী উদযাপন সন্দৰ্ভত সিদ্ধান্ত লোৱা হৈছিল। এই অনুসৰি অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকী বছৰজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক কৰা সাক্ষাতৰ সময়তো শতবাৰ্ষিকী অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত অৱগত কৰে।

০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চললৈ অবৈধ বাংলাদেশী আৰু ম্যানমাৰৰ ৰহিংগীয়া নাগৰিকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ জনোৱা আহ্বানমৰ্মে ৰাজ্যখনত বিগত কিছু দিনত দুহেজাৰ জনৰো অধিক বাংলাদেশী নাগৰিকক আটক কৰা হৈছে। অবৈধ অনুপ্ৰৱেশকাৰীৰ সকলো তথ্য এমাহৰ ভিতৰত চালি-জাৰি চোৱাৰ লগতে এই সময়ছোৱাত এই তথ্যসমূহ প্ৰমাণিত নহ'লে অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈও নিৰ্দেশ দিয়া হৈছে। অসম আৰক্ষীয়ে এই নিৰ্দেশৰ পাছতে অভিযান তীব্ৰতৰ কৰি তোলে। মৰিগাঁও জিলাত কালি আৰক্ষীয়ে ৯ জন বাংলাদেশী লোকক গ্ৰেপ্তাৰ কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰক্ষীয়ে এই অভিযান অব্যাহত ৰাখি ভালেসংখ্যক সন্দেহজনক লোকৰ নথিপত্ৰ পৰীক্ষা কৰে। গুৱাহাটী মহানগৰ আৰক্ষীয়েও মহানগৰীখনৰ বিভিন্ন প্ৰান্তত যোৱা নিশাৰে পৰা অভিযান অব্যাহত ৰাখি ঢেৰ শতাধিক সন্দেহজনক লোকক আটক কৰিছে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে গুৱাহাটী

আৰক্ষী আয়ুক্তালয়ৰ তিনিখন আৰক্ষী জিলাৰ তিনিওগৰাকী উপ-আৰক্ষী আয়ুক্তৰ লগতে কেইবাগৰাকীও শীৰ্ষ বিষয়াই সন্দেহজনক বুলি চিনাক্ত হোৱা লোকসকলৰ নথিসমূহ বিৰুবাৰী আৰক্ষী ছাউনীত পৰীক্ষা কৰে। একেদৰে গোলাঘাট জিলাৰ সীমান্ত আৰক্ষী আৰু মেৰাপানী আৰক্ষীয়ে কালি জিলাখনৰ মেৰাপানীৰ পৰা ছজন বাংলাদেশী নাগৰিকক আটক কৰে। এই লোককেইজনক যোৰহাটৰ বিদেশী ন্যায়াধীকৰণে বিদেশী বুলি ঘোষণা কৰিছিল। আটকাধীন লোককেইজনৰ ভিতৰত ৩ গৰাকী মহিলা আছে। মেৰাপানী আৰক্ষীয়ে আটাইকেইগৰাকীকে যোৰহাটস্থিত সীমান্ত কোষলৈ প্ৰেৰণ কৰিছে।

শিৱসাগৰ আৰক্ষীয়েও শনিবাৰে নিশা জিলাখনৰ বিভিন্ন প্ৰান্তত অভিযান চলাই ৭ গৰাকী সন্দেহজনক বাংলাদেশী নাগৰিকক আটক কৰে। আটকাধীন লোককেইজনৰ ভিতৰত দুগৰাকী মহিলাও আছে। অৱশ্যে আৰক্ষীয়ে এই সন্দৰ্ভত আনুষ্ঠানিকভাৱে কোনো তথ্য প্ৰকাশ কৰা নাই।

০০০০০০

ভাৰতে জাপানক অতিক্ৰম কৰি বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতিত পৰিগণিত হৈছে। নীতি আয়োগৰ মুখ্য কাৰ্যবাহী বিষয়া শ্ৰী বি.ভি.আৰ. সুব্ৰমন্যমে এই তথ্য প্ৰকাশ কৰি লগতে কয় যে, অহা আঢ়ৈ বছৰৰ পৰা তিনি বছৰৰ ভিতৰত ভাৰতে তৃতীয় স্থানত থকা জাৰ্মানীকো চেৰ পেলোৱাতো সম্ভৱ হ'ব। তেওঁ প্ৰকাশ কৰা মতে, IMF অৰ্থাৎ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ তথ্য অনুসৰি ভাৰত এতিয়া 'চাৰি ট্ৰিলিয়ন ডলাৰৰ' অৰ্থনীতি আৰু ভাৰততকৈ আগত আছে আমেৰিকা, চীন, তথা জাৰ্মানী। IMF-এ নিজৰ শেহতীয়া প্ৰতিবেদনত উল্লেখ কৰিছে যে বিশ্বৰ আটাইতকৈ দ্ৰুতগতিত অৰ্থনৈতিক বিকাশ ঘটা দেশ হিচাপে ভাৰতৰ এই যাত্ৰা অব্যাহত থাকিব আৰু অহা দুবছৰত বিশ্বৰ একমাত্ৰ দেশ হিচাপে ভাৰতৰ অৰ্থনৈতিক বিকাশ ৬ শতাংশতকৈ অধিক বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। ২০১৫ চনত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন ২ দশমিক ১ ট্ৰিলিয়ন ডলাৰ আছিল আৰু শেহতীয়াকৈ সেয়া ৪ দশমিক ৩ ট্ৰিলিয়ন ডলাৰলৈ বৃদ্ধি হৈছে ।

প্ৰতিবেদনত লগতে উল্লেখ কৰা হৈছে যে, দ্ৰুত বিকাশৰ ফলত ২০২৮ চনৰ ভিতৰত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন ৫ দশমিক ৫ ট্ৰিলিয়ন ডলাৰলৈ বৃদ্ধি হৈ জাৰ্মানীকো অতিক্ৰম কৰি ভাৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থনীতিৰূপে উন্নীত হব। উল্লেখযোগ্য যে, সম্প্ৰতি বিশ্বৰ বৃহত্তম অৰ্থনীতিৰ তালিকাৰ শীৰ্ষত থকা আমেৰিকাৰ ২০২৫ বৰ্ষত মুঠ ঘৰুৱা উৎপাদন ৩০ দশমিক ৫ ট্ৰিলিয়ন ডলাৰ আৰু চীনৰ প্ৰায় ১৯ দশমিক ২ ট্ৰিলিয়ন ডলাৰ।

০০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামত যোৱা ২২ এপ্ৰিলত সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা ২৬ গৰাকী নিৰীহ লোকক আৰ্থিক সাহায্য প্ৰদানৰ বাবে অসম চৰকাৰে গ্ৰহণ সিদ্ধান্তমৰ্মে মন্ত্ৰী বিমল বৰাই কালি কৰ্ণাটকৰ বেংগালুৰুত তিনিটা ভুক্তভোগী পৰিয়ালক সাহায্যৰ ধন প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে বেংগালুৰুৰ শিৱমোগ্গাৰ নিহত মঞ্জুনাথ ৰাওৰ বাসগৃহলৈ গৈ পৰিয়ালক সদস্যক সমবেদনা জ্ঞাপনৰ লগতে মৃতকৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে। মন্ত্ৰীগৰাকীয়ে ৰাওৰ পত্নীৰ পল্লৱী ৰাওৰ হাতত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ হৈ ৫ লাখ টকাৰ সাহায্য চেক প্ৰদান কৰে। কালি বিয়লি মন্ত্ৰীগৰাকীয়ে আন এজন ভুক্তভোগী ভাৰত ভূষণৰ পৰিয়ালক সাক্ষাৎ কৰি অসম চৰকাৰৰ তৰফৰ পৰা ৫ লাখ টকাৰ সাহায্যৰ চেক মৃতকৰ সুজাতাক অৰ্পণ কৰে। সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত বেংগালুৰুৰ আন এগৰাকী ব্যক্তি আই বি এম জ্যেষ্ঠ স্থপতিবিদ ছমীৰ চেট্টী মধুসূধন ৰাওৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰা লগতে তেওঁৰ পত্নী কামাক্ষীৰ হাতত সাহায্যৰ চেক অৰ্পণ কৰে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ কেইবাগৰাকী মন্ত্ৰীয়েও যোৱা দুটা দিনত এই আক্ৰমণত নিহতসকলৰ পৰিয়ালৰ আৰ্থিক সাহায্য প্ৰদান কৰে। মন্ত্ৰী কৃষেন্দু পালে পশ্চিমবংগত প্ৰয়াত বিতন অধিকাৰী

আৰু সমীৰ গুহৰ পৰিয়াল, মন্ত্ৰী কেশৱ মহন্তই ভাৰতীয় নৌসেনা বিষয়া বিনয় নৰোৱালৰ পৰিয়াল, ৰণজিৎ কুমাৰ দাসে উত্তৰ প্ৰদেশৰ শুভম দ্বিৱেদী আৰু ডা০ ৰণোজ পেগুৱে ৰাজস্থানৰ প্ৰয়াত নীৰজ উধৱানীৰ পৰিয়ালৰ সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰাৰ লগতে সাহায্যৰ চেক প্ৰদান কৰে।

০০০০০০

বিটিচিৰ সাধাৰণ নিৰ্বাচনৰ বাবে শাসক-বিৰোধী সকলো ৰাজনৈতিক দলেই নিৰ্বাচনী তৎপৰতা আৰম্ভ কৰিছে। অহা ছেপ্তেম্বৰত হ'বলগীয়া এই নিৰ্বাচনৰ বাবে ভাৰতীয় জনতাপাৰ্টীয়ে  কেবিনেট মন্ত্ৰী কৌশিক ৰায়ক চিৰাং জিলাৰ দায়িত্ব ন্যাস্ত কৰিছে। মন্ত্ৰীগৰাকীয়ে যোৱা দুদিনত জিলাখনৰ সাতটা পৰিষদীয় সমষ্টিত উপস্থিত হৈ দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰে। এই সময়ছোৱাত তেওঁ দলীয় কৰ্মকৰ্তাৰ সৈতেও বিভিন্ন আলোচনাত মিলিত হয়। ইপিনে বাক্সা জিলাৰ বৰবৰীত কালি বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে ইউ পি পি এলৰ এখন কৰ্মীসভাত অংশগ্ৰহণ কৰে। বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে বিটিচি পৰিষদীয় সমষ্টিত ৪০ খন আসনত প্ৰাৰ্থীত্ব দিয়াৰ কথা ঘোষণা কৰিছে। সভাত ভাষণ দি প্ৰমোদ বড়োৱে ইউ পি পি এলৰ শাসন কালত বি টি চিত শান্তি ঘূৰি অহা বুলি উল্লেখ কৰি হাগ্ৰামা মহিলাৰী পুনৰ শাসনলৈ আহিলে বি টি চি পুনৰ অশান্ত হৈ পৰিব বুলি কয়।

**(বাইট ঃ প্ৰমোদ বড়ো)**

০০০০০০

মণিপুৰক অপমান কৰাৰ অভিযোগত ৰাজ্যখনৰ পৰিস্থিতি পুনৰ উত্তপ্ত হৈ পৰিছে। আমাৰ ইম্ফলৰ সংবাদদাতাই জনোৱা তথ্য অনুসৰি ভাৰতীয় সেনাৰ এটা দলে মণিপুৰ ৰাজ্যিক পৰিবহন বিভাগৰ বাছৰ পৰা মণিপুৰ শব্দটো আঁতৰাবলৈ ৰাজ্যখনৰ সাংবাদিকৰ এটা দলক নিৰ্দেশ দিয়াক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্কৰ পাছত কালি **কো-অৰ্ডিনেটিং কমিটী অন মণিপুৰ ইণ্টিগ্ৰেটি** চমুকৈ ক'ক'মীয়ে আহ্বান জনোৱা প্ৰতিবাদৰ প্ৰতি সঁহাৰি জনাই হাজাৰ হাজাৰ প্ৰতিবাদকাৰীয়ে ৰাজভৱনৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলক ছত্ৰভংগ দিয়াবলৈ নিৰাপত্তাৰক্ষীয়ে কন্দুৱা গেছ প্ৰয়োগ কৰাৰ ফলত কেইবাজনো প্ৰতিবাদকাৰী গুৰুতৰভাৱে আহত হয়। উল্লেখযোগ্য যে, ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰতিবাদকাৰীসকলে ইম্ফলত একত্ৰিত হৈ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাক বিষয়টোৰ বাবে ক্ষমা খোজাৰ দাবী জনায়। ইপিনে, ক'ক'মীৰ নেতৃত্বই প্ৰকাশ কৰা মতে মণিপুৰত সৃষ্টি হৈ থকা সংকট সন্দৰ্ভত আলোচনা কৰাৰ বাবে গৃহমন্ত্ৰালয়ে তেওঁলোকক আমন্ত্ৰণ জনাইছে। কাইলৈ সংগঠনটোৰ ৭ জনীয়া এটা দলে নতুন দিল্লীত এই বিষয়ে গৃহমন্ত্ৰালয়ৰ সৈতে আলোচনাত মিলিত হ'ব। আলোচনাত দলটোৱে ভাৰতীয় সেনাই মণিপুৰক অপমান কৰাৰ প্ৰসংগও উত্থাপন কৰিব বুলি সদৰি কৰিছে।

০০০০০০

শ্ৰীভূমি আৰক্ষীয়ে কালি বিয়লি পাথাৰকান্দি থানাৰ অন্তৰ্গত মুণ্ডাৱালাত অভিযান চলাই এখন মটৰচাইকেলৰ পৰা মাদক দ্ৰব্য জব্দ কৰাৰ লগতে তিনিজন লোকক কৰায়ত্ব কৰে। ত্ৰিপুৰালৈ সৰবৰাহ কৰি থকা অৱস্থাত এই মাদক দ্ৰব্যসমূহ জব্দ কৰা হয়। এই সংক্ৰান্তত আৰক্ষীয়ে দুজন লোকক গ্ৰেপ্তাৰ কৰি তেওঁলোকৰ স্বীকাৰোক্তিৰ ভিত্তিত আবুল হুছেইন নামৰ কনিষ্টবল এজনক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে জব্দ কৰা মাদক দ্ৰব্যখিনিৰ মূল্য প্ৰায় ২ কোটি টকা হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত কালি নিশা দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হোৱা এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে কলকাতা নাইট ৰাইডাৰ্ছক ১১০ ৰানত পৰাস্ত কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদে নিৰ্ধাৰণ কৰি দিয়া ২৭৯ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা কলকাতাৰ দলটোৱে নিৰ্ধাৰিত অভাৰত শেষ হ'বলৈ ৮টা বল বাকী থকা অৱস্থাত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১৬৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। কলকাতা নাইট ৰাইডাৰ্ছৰ হৈ মনীষ পাণ্ডেই সৰ্বাধিক ৩৭ ৰান কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ জয়দেব উনাদকাট, এশ্বান মালিংগা আৰু হৰ্ষ ডুবেই তিনিটাকৈ উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত তিনি উইকেটৰ বিনিময়ত ২৭৮ ৰান কৰে। দলৰ হৈ হেনৰিক ক্লাছেনে সৰ্বাধিক ১০৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। ট্ৰেভিছ হেডেও ৭৬ ৰানৰ বৰঙণি আগবঢ়ায়। কলকাতা নাইট ৰাইডাৰ্ছৰ হৈ সুনীল নাৰায়ণে দুটা উইকেট লাভ কৰে। হেনৰিক ক্লাছেনক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

কালি অনুষ্ঠিত আন এখন খেলত চেন্নাই ছুপাৰ কিংছে গুজৰাট টাইটানছক ৮৩ ৰানত পৰাস্ত কৰে। খেলখনত চেন্নাইৰ দলটোৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২৩০ ৰান কৰে। ইয়াৰ প্ৰত্যুত্তৰত গুজৰাট টাইটানছে ১৮ অভাৰ আৰু ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪৭ ৰানহে কৰিবলৈ সমৰ্থ হয়।

প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত পাঞ্জাব কিংছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

জাপানক পিছ পেলাই ভাৰত বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ অৰ্থনীতিৰ দেশত পৰিণত হোৱা, চীন ভাৰতৰ মূল শত্ৰু বুলি মাৰ্কিন প্ৰতিৰক্ষা বিভাগৰ প্ৰতিবেদন, অপাৰেচন সিন্দূৰ ভাৰতৰ সংকল্প-সাহস-পৰিৱৰ্তিত ভাৰতৰ প্ৰতিচ্ছবি বুলি প্ৰধানমন্ত্ৰী শ্ৰীমোদীৰ মন্তব্য, ব্ৰিটেইন গট টেলেণ্টৰ ফাইনেলত প্ৰৱেশ কৰি অসম কন্যা বিনীতা ছেত্ৰীৰ ইতিহাস, অসমৰ বিভিন্ন স্থানত সন্দেহজনক নাগৰিকৰ বিৰুদ্ধে আৰক্ষীৰ অভিযানকে ধৰি আন কেইবাটাও খবৰ আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত গুৰুত্ব পাইছে।

ভাৰতে জাপানক অতিক্ৰম কৰি বিশ্বৰ চতুৰ্থ বৃহৎ অৰ্থনীতিত পৰিণিত হোৱাৰ বিশেষ বাতৰিটোক প্ৰতিখন বাতৰি কাকতেই গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে **আই এম এফৰ তথ্য দাঙি ধৰি নীতি আয়োগৰ মুখ্য কাৰ্যবাহীৰ দাবী, জাপানক অতিক্ৰমী বিশ্বৰ চতুৰ্থ অৰ্থনীতিত পৰিণত ভাৰত**, আমাৰ অসম কাকতে **জাপানক চেৰাই বিশ্বৰ চতুৰ্থ বৃহৎ অৰ্থনীতি ভাৰত** আৰু দি আছাম ট্ৰিবিউন কাকতে **India 4th largest economy ahead of Japan : NITI CEO** শিৰোনাম দিছে।

চীনহে ভাৰতৰ মূল শত্ৰু আৰু বেইজিঙৰ সহায়ত ভাৰতক লক্ষ্য কৰি পাকিস্তানে পাৰমাণৱিক অস্ত্ৰ ভাণ্ডাৰ আধুনিকীকৰণ কৰাৰ তথ্য মাৰ্কিন প্ৰতিৰক্ষা বিভাগৰ প্ৰতিবেদনত প্ৰকাশ পোৱাৰ বাতৰিটো দৈনিক অগ্ৰদূত, দা টাইমছ অৱ ইণ্ডিয়াকে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অপাৰেচন সিন্দূৰ সন্দৰ্ভত মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰা শেহতীয়া মন্তব্য আজি কেইবাখনো কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটো দৈনিক অসম কাকতে **আকাশবাণীৰ মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদী, অপাৰেচন সিন্দূৰ সংকল্প-সাহস-পৰিৱৰ্তিত ভাৰতৰ ঐক্যবদ্ধ প্ৰতীক** শিৰোনামেৰে, দৈনিক জনমভূমি কাকতে **১২২ সংখ্যক মন কী বাতত প্ৰধানমন্ত্ৰী-**

**অপাৰেচন সিন্দূৰ দেশৰ সংকল্প-সাহস-পৰিৱৰ্তিত ভাৰতৰ এক প্ৰতিচ্ছবি** শিৰোনামেৰে আৰু দা ছেণ্টিনেল কাকতে **PM Modi underscores unwavering resolve against terrorism, hails precision strike** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

সন্দেহজনক নাগৰিকৰ সন্ধানত অসম আৰক্ষীয়ে ৰাজ্যৰ বিভিন্ন স্থানত অভিযান চলাই বহু লোকক সোধা-পোছাৰ বাবে আটক কৰাৰ বাতৰি এটা অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। নিয়মীয়া বাৰ্তা কাকতে কাৰ্বি আংলঙৰ নৃত্যশিল্পী বিনীতা ছেত্ৰীয়ে ব্ৰিটেইনছ গট টেলেণ্ট শীৰ্ষক ৰিয়েল্টি শ্ব'ৰ ফাইনেলত প্ৰৱেশ কৰি ইতিহাস ৰচাৰ এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো সন্দৰ্ভত বিধানসভাৰ মন্ত্ৰীগোটে অচিৰেই প্ৰতিবেদন দাখিল কৰিব বুলি ঘোষণা কৰিছে। কালি সদৌ অসম আহোম সভাৰ লখিমপুৰ জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত সদৌ অসম আহোম সভাৰ ১৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰি ডাঃ পেগুৱে কয়, যে জনজাতিকৰণৰ বিষয়টো যিহেতু ৰাজনৈতিক বিষয় সেয়ে এই ক্ষেত্ৰত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত উচ্চস্তৰীয় বৈঠকৰ প্ৰয়োজন আছে। আনহাতে, পদ্মনাথ গোহাঞিবৰুৱাৰ নাম যুগমীয়া কৰাৰ বাবে শীঘ্ৰে শিক্ষা বিভাগে এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লব বুলিও ভাষণ প্ৰসংগত তেওঁ উল্লেখ কৰে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত